**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-04-2024
**Time :** 1845Hrs.

***Assamese Evening Bulletin***

# HEADLINES

১। তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ বাবে গুৱাহাটীত বিজেপিৰ জ্যেষ্ঠ নেতা গৃহমন্ত্ৰী অমিত শ্বাহৰ ৰোড শ্ব'ত অংশগ্ৰহণ। কংগ্ৰেছকে ধৰি অন্যান্য দলসমূহৰো প্ৰচাৰ অব্যাহত।
২। ষষ্ঠ পৰ্যায়ৰ নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি। পঞ্চম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে লক্ষ্ণৌ সংসদীয় সমষ্টিৰ প্ৰাৰ্থী বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ মনোনয়ন দাখিল।
৩। কোকৰাঝাৰ লোকসভা সমষ্টিৰ নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ পৰ্যালোচনা।
৪। অসম আৰক্ষীৰ বিশেষ টাস্ক ফ'ৰ্চৰ গুৱাহাটীৰ খানাপাৰাৰ পৰা ডেৰ কিলোগ্ৰাম মাদক দ্ৰব্য জব্দ। *আৰু*
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছ, দেলহী কেপিটেলছৰ মুখামুখি।

০০০০০

তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে শাসনাধিস্থিত বিজেপি মিত্ৰজোঁটৰ লগতে অন্যান্য দলসমূহে ব্যাপক প্ৰচাৰ চলাইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীৰ চাইকেল ফেক্টৰী তিনিআলিৰ পৰা লালগণেশলৈ ৰোড শ্ব'ত অংশগ্ৰহণ কৰি প্ৰচাৰ চলাইছে। তেওঁ গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাও শ্ৰীশ্বাহৰ সৈতে ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে।

ইপিনে, গুৱাহাটী লোক সভা সমষ্টিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি ডিমৰীয়া সমষ্টিৰ তাতিমৰাৰ লগতে ঠাকুৰকুছি নিৰ্বাচনী প্ৰচাৰ চলায় ৰাইজৰ সৈতে মত বিনিময় কৰে। একেখন আসনৰ বাবে কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰেও আজি বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। তেওঁ খানাপাৰাত ৰাইজৰ সৈত মত বিনিময় কৰি সংবিধান ৰক্ষাৰ স্বাৰ্থত বিবেকেৰে ভোট দিবলৈ আহ্বান জনায়। প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত চি পি আই এম এলৰ উদ্যোগত মহানগৰৰ পৰা গ্ৰামাঞ্চললৈ প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। আজি দলটোৰ উদ্যোগত পানীখাইতি পঞ্চায়তৰ অন্তৰ্গত বীৰকুছি, তালতলা, পানীখাইতি, ৰাজাবাৰী, ছপাইডাং, বোন্দা অঞ্চলৰ বিভিন্ন গাঁৱৰ ঘৰে ঘৰে প্ৰচাৰ পত্ৰ বিতৰণ কৰাৰ লগতে পথ সভা অনুষ্ঠিত হয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰী জিলাৰ কেইবাটাও স্থানত বৰপেটা সমষ্টিৰ বিজেপি মিত্ৰজোঁট সমৰ্থিত প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ হৈ প্ৰচাৰ চলায়। তেওঁ বৰক্ষেত্ৰী, হাজো আৰু সৰুপেটাত প্ৰচাৰ চলায়।

মন্ত্ৰী পীযুষ হাজৰিকাই কোকৰাঝাৰ লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ বাক্সা জিলাৰ বৰমাত প্ৰচাৰ চলায়। ইপিনে, মানকাচৰ বিধানসভা সমষ্টিত ধুবুৰী সমষ্টিৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলে কেইবাখনো নিৰ্বাচনী সভাত অংশ লয়।

আনহাতে অসম গণ পৰিষদ দলৰ গোৱালপাৰা পূব বিধানসভা সমষ্টিৰ উদ্যোগত মিত্ৰজোঁট তথা অগপ প্ৰাৰ্থী জাবেদ ইছলামৰ সমৰ্থনত গোৱালপাৰা চহৰৰ হাতীপাৰাত নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়। সভাত অগপ নেতা তথা মন্ত্ৰী অতুল বৰাই অংগ্ৰহণ কৰে। ইয়াৰ উপৰি তেওঁ গোৱালাপাৰাৰ হেলাপাখিৰি আৰু চেঁচাপানীত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশ লৈ বিজেপি সমৰ্থিত প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতক ২০৪৭ চনৰ ভিতৰত এখন বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ দৃষ্টিভংগীৰে তেওঁ অহৰ্নিশে প্ৰচেষ্টা অব্যাহত ৰাখিছে। আজি কৰ্ণাটকৰ বাগালকোটত এখন জনসভাক সম্বোধন কৰি শ্ৰীমোদীয়ে কয় যে, বিজেপিয়ে উন্নয়নৰ হকে কাম কৰাৰ বিপৰীতে কংগ্ৰেছে ভোটবেংকৰ লক্ষ্য আগত ৰাখিহে কাম কৰে। আনহাতে, মহাৰাষ্ট্ৰৰ চোলাপুৰত আন এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে কয় যে, কোনো লোকেই দেশৰ সংবিধান সলনি কৰা আৰু সংৰক্ষণ ব্যৱস্থাৰ অন্ত পেলোৱাৰ দৰে কাম কৰিব নোৱাৰে। কাৰোৰে অধিকাৰ খৰ্ব নকৰাকৈ দৰিদ্ৰসকলৰ বাবে দহ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে।

ইপিনে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি উত্তৰ গুজৰাটৰ পাটানত এখন নিৰ্বাচনী সভাত অংশ গ্ৰহণ কৰে। শ্ৰীগান্ধীয়ে দেশত বৃদ্ধি পোৱা মুদ্ৰাস্ফীতিৰ হাৰ আৰু নিবনুৱা সমস্যাৰ বাবে বিজেপি চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰে। তেওঁ এন ডি এ চৰকাৰৰ বিৰুদ্ধে একাংশ বৃহৎ বাণিজ্যিক প্ৰতিষ্ঠানৰ বুজন সংখ্যক ঋণ ৰেহাই দিয়া আৰু কৃষক তথা সাধাৰণ শ্ৰমিকসকলৰ প্ৰতি অন্যায়-অবিচাৰ কৰা বুলি অভিযোগ তোলে।

আনহাতে, গুজৰাট বিজেপিৰ সভাপতি চি আৰ পাটিলে ৰাজ্যখনত দলীয় প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে।

ইপিনে, ইন্দোৰৰ কংগ্ৰেছৰ প্ৰাৰ্থী অক্ষয় কান্তি বামে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ লগতে আজি বিজেপিত যোগদান কৰে। চতুৰ্থ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ দলৰ বাবে এয়া এটা মোক্ষম আঘাত হিচাপে পৰিগণিত হৈছে।

০০০০০

দেশৰ পঞ্চম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে লক্ষ্ণৌ সংসদীয় সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামি উপস্থিত থাকে। বিজেপিৰ নেতাগৰাকীয়ে মনোনয়ন দাখিলৰ পূৰ্বে তেওঁ লক্ষ্ণৌত ৰোড শ্ব'ত অংশ লয়। ইফালে বিজেপি নেত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে আমেথি সংসদীয় সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰে। অহা ২০ মে'ত পঞ্চম পৰ্যায়ত এই দুটা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০

নিৰ্বাচন আয়োগে ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰিছে। এই পৰ্যায়ত ৬খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৫৭টা সংসদীয় সমষ্টিৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। দিল্লীৰ ৭ খন আসন, হাৰিয়ানাৰ ১০ খন, উত্তৰ প্ৰদেশৰ ১৪ খন, বিহাৰ আৰু পশ্চিমবংগৰ ৮ খনকৈ, ওড়িশাৰ ৬ খন আৰু ঝাৰখণ্ডৰ ৪খন আসনৰ বাবে ষষ্ঠ পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ত প্ৰাৰ্থীসকলে অহা ৬ মে'লৈ মনোনয়ন দাখিল কৰিব পাৰিব। ৭ মে'ত মনোনয়ন পত্ৰৰ পুনৰীক্ষণ হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীয়ে মে' মাহৰ ৯ তাৰিখলৈ মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। উল্লেখযোগ্য যে অহা ২৫ মে'ত এই পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ৪ জুনত সকলো পৰ্যায়ৰ একেলগে ভোটগণনা কৰা হ'ব।

০০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৪টা সমষ্টিৰ বাবে অহা ৭ মে'ত ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত এহেজাৰ ৩৫১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইয়াৰ ভিতৰত ১২৩ গৰাকী মহিলা প্ৰাৰ্থী। প্ৰাৰ্থীসকলৰ ভিতৰত ৫৯১ গৰাকী স্নাতক বা স্নাতকোত্তৰ পৰ্যায়ৰ অৰ্হতা আছে। আনহাতে ৪১১ গৰাকী প্ৰাৰ্থী ২৫ৰ পৰা ৪০ বছৰ বয়সৰ ভিতৰৰ আৰু ৭১২ গৰাকী ৪১ৰ পৰা ৬০ৰ ভিতৰৰ। উল্লেখযোগ্য যে, প্ৰথম পৰ্যায়ত ১৯ এপ্ৰিলত দেশৰ ১০২টা সমষ্টিত আৰু দ্বিতীয় পৰ্যায়ত ২৬ এপ্ৰিলত ৮৮টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। আনহাতে, প্ৰথম পৰ্যায়ত এহেজাৰ ৬২৫ গৰাকী আৰু দ্বিতীয় পৰ্যায়ত এহেজাৰ ১৯৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। তৃতীয় পৰ্যায়ত অসমত ৪ খন, বিহাৰৰ ৫, ছত্তিশগড়ৰ ৭, গোৱাৰ দুখন, গুজৰাটৰ ২৬, কৰ্ণাটকৰ ১৪, মধ্যপ্ৰদেশৰ ৮, মহাৰাষ্ট্ৰৰ ১১, উত্তৰ প্ৰদেশৰ ১০, পশ্চিমবংগৰ ৪ তথা দাদৰা আৰু নগৰ হাভেলী, দমন আৰু দিউৰ দুখনকৈ তথা জম্মু আৰু কাশ্মীৰৰ এখন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

০০০০০

অসম আৰক্ষীৰ বিশেষ টাস্ক ফ'ৰ্চে গোপন সূত্ৰৰ পম খেদি খানাপাৰাৰ অসম লোকসেৱা আয়োগৰ কাৰ্যালয়ৰ সমীপৰ পৰা বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দকৰাৰ উপৰি দুজন লোকক আটক কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, ত্ৰিপুৰা আৰু মণিপুৰৰ পৰা মাদক দ্ৰব্য সৰবৰাহকাৰীয়ে গুৱাহাটীলৈ নিচাযুক্ত দ্ৰব্য অনাৰ সম্ভেদ লাভ কৰি বিশেষ টাস্ক ফ'ৰ্চৰ আৰক্ষী মহাপৰিদৰ্শক পাৰ্থ সাৰথি মহন্তৰ নেতৃত্বত অভিযান চলোৱা হৈছিল। অভিযান কালত বাহন এখনৰ পৰা ডেৰ কিলোগ্ৰাম হেৰ'ইন জব্দ কৰাৰ লগতে দুজন লোকক আটক কৰা হয়।

ইপিনে, তামুলপুৰ জিলাৰ অন্তৰ্গত ভাৰত-ভূটান সীমান্তৰ দৰংগামেলাত আবকাৰী বিভাগে ৩০ হাজাৰ টকা মূল্যৰ সুৰা জব্দ কৰিছে। বিভাগে এই সন্দৰ্ভতো এজন লোকক আটক কৰিছে।

০০০০০

ৰাজ্যত তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনসমূহে ভোটদাতাৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ বিহিত ব্যৱস্থা লৈছে। এই অনুসৰি বিভিন্ন জিলাত ভোটদাতাৰ সজাগতাৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে ফ্লাইং স্কোৱাদ আৰু নিৰীক্ষণকাৰী দলসমূহে নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ ঘটনা ধৰা পেলোৱাৰ বাবে কাৰ্যকৰী ব্যৱস্থা লৈছে। নিৰ্বাচন হবলগীয়া ৪ টা সমষ্টি গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰীৰ অন্তৰ্গত

অঞ্চলসমূহত নিৰ্বাচন  বিভাগ আৰু জিলা প্ৰশাসনৰ উদ্যোগত যুৱ ভোটদাতাসকলক ভোটদানৰ বাবে আগ্ৰহী কৰি তুলিবলৈ বিভিন্ন কাৰ্যসূচী লোৱা হৈছে।  ইপিনে, নিৰ্বাচন সুকলমে পৰিচালনাৰ বাবে ভোটগ্ৰহণ হ'বলগীয়া কেন্দ্ৰসমূহত নিৰ্বাচনী আয়োগৰ নিৰ্দেশনামৰ্মে সুৰক্ষা ব্যৱস্থাকে ধৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰিবলৈ জিলা নিৰ্বাচন বিভাগসমূহে নিশ্চিত কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰলৈ আহি ভোটদান কৰাৰ বাবে ইচ্ছুক জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলক ভোটদানৰ সুবিধা কৰি দিয়াৰ বাবেও উপযুক্ত ব্যৱস্থা লোৱা হ'ব। তদুপৰি ৫০ শতাংশ ভোটগ্ৰহণ কেন্দ্ৰত ৱেৱকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। একেদৰে নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া কৰ্মচাৰী আৰু ই ভি এম কঢ়িয়াই নিয়া বাহনসমূহত জি পি এছ সংলগ্ন কৰা হ'ব।

০০০০০

ৰাজ্যখনত তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰী এই ৪ টা সমষ্টিৰ বাবে লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। গুৱাহাটী সমষ্টিত বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধি আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত গুৱাহাটী সমষ্টিটোত গোৱালপাৰা, কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১০টা বিধানসভা সমষ্টি সামৰি লোৱা হৈছে। সম্প্ৰতি এন ডি এৰ সাংসদ  কুইন ওজাই প্ৰতিনিধিত্ব কৰা এই সমষ্টিটো ইয়াৰ পূৰ্বে বিজেপিৰ বিজয়া চক্ৰৱৰ্তী আৰু ২০০৪ চনত কংগ্ৰেছ দলৰ কিৰিপ চলিহাই প্ৰতিনিধিত্ব কৰিছিল। ইপিনে, বৰপেটা সমষ্টিত এইবাৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী তথা অসম গণ পৰিষদৰ নেতা ফণীভূষণ চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰ বিপৰীতে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্যমঞ্চৰ দীপ বায়ন, চিপিআইএমৰ মনোৰঞ্জন তালুকদাৰ, আৰু তৃণমূল কংগ্ৰেছৰ আব্দুল কালাম আজাদেও সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰিব। কংগ্ৰেছ দলৰ সাংসদ আব্দুল খালেকে প্ৰতিনিধিত্ব কৰি থকা সমষ্টিটোত ইয়াৰ পূৰ্বে অৰ্থাৎ ২০১৪ চনত এ আই ইউ ডি এফৰ হৈ চিৰাজুদ্দিন আজমল জয়ী হৈছিল। এই লোকসভা সমষ্টিটোৱে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত বঙাইগাওঁ, বৰপেটা, কামৰূপ আৰু নলবাৰী জিলাৰ ১০ টা বিধানসভা সমষ্টি সামৰি লৈছে। বৰপেটা সমষ্টিত প্ৰায় ১৭ লাখ ভোটদাতা আছে। আনহাতে, কোকৰাঝাৰ লোকসভা সমষ্টিটোৱে কোকৰাঝাৰ, চিৰাং আৰু বাক্সা জিলাৰ ৯ টা বিধানসভা সমষ্টি সামৰি লৈছে। এই সমষ্টিটোত এইবাৰ বিজেপি মিত্ৰজোঁটৰ হৈ ইউ পি পি এলৰ জয়ন্ত বসুমতাৰী, কংগ্ৰেছৰ গৰ্জন মুছাহাৰী আৰু তৃণমূল কংগ্ৰেছৰ গৌৰীশংকৰ শৰণীয়াই প্ৰতিদ্বন্দ্বিতা কৰিছে। এই সমষ্টিটো সম্প্ৰতি  সাংসদ নৱ কুমাৰ শৰণীয়াই প্ৰতিনিধিত্ব কৰি আছে। ইয়াৰ পূৰ্বে বি পি এফৰ ছানছুমা খুংগুৰ বিছমুথিয়াৰে সমষ্টিটোক ৪ বাৰকৈ প্ৰতিনিধিত্ব কৰিছে। ইপিনে, ধুবুৰী সমষ্টিত এইবাৰ বিজেপি মিত্ৰজোটৰ হৈ অসম গণ পৰিষদৰ জাভেদ ইছলাম, কংগ্ৰেছৰ ৰকিবুল হুছেইন আৰু এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলে প্ৰতিদ্বন্দ্বিতা কৰিছে। এই সমষ্টিটো এ আই ইউ ডি এফৰ হৈ বৰ্তমানৰ সাংসদ বদৰুদ্দিন আজমলে ২০০৯ চনৰ পৰা প্ৰতিনিধিত্ব কৰি আছে। এই সমষ্টিটোত ১৫ লাখৰো অধিক ভোটদাতা আছে। আনহাতে, সমষ্টিটোৱে ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও আৰু বৰপেটা জিলাৰ ১১টা বিধানসভা সমষ্টি সামৰি লৈছে।

০০০০০

অধিকাৰ আৰু দায়বদ্ধতা সন্দৰ্ভত স্কুলীয়া শিক্ষাৰ্থীৰ সবলীকৰণ কৰাৰ লক্ষ্যৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ আইন বিভাগে যোৱা শুকুৰবাৰে নপামস্থিত মাধৱদেৱ শিশু নিকেতন বিদ্যালয়ত এটা  সৰ্বাত্মক আইনী সজাগতা অনুষ্ঠানৰ আয়োজন কৰে। নাৰ্চাৰীৰ পৰা দশম শ্ৰেণীলৈ  দুই শতাধিক শিক্ষাৰ্থীয়ে এই দিনজোৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ এল এল এম বিভাগৰ দ্বিতীয় আৰু চতুৰ্থ ষান্মাসিকৰ শিক্ষাৰ্থীসকলে বাটৰ নাট পৰিৱেশন কৰে। শিশুৰ যৌন নিৰ্যাতন, শিশু শ্ৰমিক আৰু আৱৰ্জনা ব্যৱস্থাপনাৰ বিষয়ত বাটৰ নাট পৰিৱেশন কৰা হয়। ইয়াৰ দ্বাৰা শিক্ষাৰ্থীসকলৰ এই সংবেদনশীল বিষয়সমূহৰ ওপৰত সজাগতা বৃদ্ধি কৰা হৈছে। বিশ্ববিদ্যালয়খনৰ আইন বিভাগৰ শিক্ষাৰ্থীসকলে স্কুলীয়া শিক্ষাৰ্থীসকলক শিক্ষাৰ অধিকাৰ, শিশু শ্ৰমিক, বিনামূলীয়া আইনী সাহায্যৰ সুবিধা ইত্যাদি বিষয়সমূহৰ ওপৰত অৱগত কৰে। অনুষ্ঠানত  তেজপুৰ বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ অধ্যাপকসকল আৰু বিদ্যালয়খনৰ অধ্যক্ষগৰাকী উপস্থিত আছিল বুলি প্ৰেছ বিজ্ঞপ্তিযোগে জনোৱা হৈছে।

০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশ মৰ্মে নগাঁও জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত অহা ১১ মে'ৰ দিনৰ ১১ বজাৰ পৰা নগাঁৰত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। নগাঁও ন্যায়িক আদালত ভৱনত আয়োজিত এই কাৰ্যসূচীত ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, ৰাজহ সংক্ৰান্তীয় গোচৰৰ উপৰি বেংক ঋণ আদি গোচৰো নিষ্পত্তি কৰা হ'ব। তদুপৰি টেলিফোন বিল, বিদ্যুৎ মাচুল আদি সম্পৰ্কীয় বিবাদ নিষ্পত্তিৰো ব্যৱস্থা কৰা হ'ব। ৰাইজৰ সুবিধাৰ্থে এই গোচৰ সমূহৰ আগতীয়া শুনানিৰ ব্যৱস্থা কৰা হৈছে।

০০০০০

নচনেল টেষ্টিং এজেন্সি আৰু বিশ্ববিদ্যালয় অনুদান আয়োগে উই জি চি নেট পৰীক্ষা অহা ১৬ জুনৰ পৰিৱৰ্তে ১৮ জুনত অনুষ্ঠিত কৰা হ'ব বুলি ঘোষণা কৰিছে। পৰীক্ষাৰ্থীসকলৰ মতামতৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। নেচনেল টেষ্টিং এজেন্সিয়ে সেই দিনটোত অ' এম আৰ পদ্ধতিৰে সমগ্ৰ দেশত এই পৰীক্ষা অনুষ্ঠিত কৰিব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে ৭ বজাত কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ আৰু দেলহী কেপিটেলছ মুখামুখি হ'ব।

আনহাতে যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে গুজৰাট টাইটানছক ৯ উইকেটত পৰাস্ত কৰে।

প্ৰতিযোগিতাৰ দ্বিতীয়খন খেল চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু চেন্নাই ছুপাৰ কিংছৰ মাজত অনুষ্ঠিত হয়। এই খেলখনত চেন্নাই ছুপাৰ কিংছ দলটো ৭৮ ৰানত বিজয়ী হয়।

ooooo

সমাপ্ত